জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৪২/২০২১

আই আই টি গুৱাহাটীৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

# ঐতিহাসিক অসম আন্দোলনৰ ফলস্বৰূপে গঢ়ি উঠা এই প্ৰতিষ্ঠানৰ অসম আৰু অসমবাসীৰ প্ৰতি বহু দায়িত্ব আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আইআইটি গুৱাহাটীয়ে ইয়াৰ তিনি দশকৰো কম সময়ৰ যাত্ৰাপথতে উচ্চমানবিশিষ্ট কাৰিকৰী শিক্ষাৰ সৈতে সমগ্ৰ দেশতে শৈক্ষিক উৎকৰ্ষতাৰ পৰিৱেশৰ বাবে এক সুকীয়া স্থান দখল কৰিছে। এই প্ৰতিষ্ঠানটিয়ে বিশ্বব্যাপী উন্নত মানৱ সম্পদ সৃষ্টিৰ লগতে গৱেষণাৰ মাধ্যমেৰে সমাজক যথেষ্ট লাভান্বিত কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দেশৰ অন্যান্য আইআইটিসমূহৰ বিপৰীতে গুৱাহাটী আইআইটিৰ জন্মৰ এক সুকীয়া ইতিহাস আছে। ছবছৰীয়া ঐতিহাসিক অসম আন্দোলনৰ ফলাফলস্বৰূপে অসমবাসীৰ দাবীৰ ভিত্তিত ৰাজ্যখনে এই সৰ্বভাৰতীয় প্ৰতিষ্ঠানটি লাভ কৰিছিল। ৰাজ্যৰ জনসাধাৰণৰ সামূহিক আকাংক্ষাৰ ফলস্বৰূপে গঢ়ি উঠা এই প্ৰতিষ্ঠানটোৰ অসম আৰু ইয়াৰ জনসাধাৰণৰ প্ৰতি সেয়েহে বহু দায়িত্ব আছে। এই প্ৰতিষ্ঠানৰ অধ্যাপক-অধ্যাপিকা, বৰ্তমানৰ ছাত্ৰসকল আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক আজীৱন ৰাজ্যখনৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ লগতে আৰু ইয়াৰ কল্যাণৰ বাবে কাম কৰি যাবলৈ তেওঁ আহ্বান জনায়।

আইআইটি গুৱাহাটীয়ে বিশ্বব্যাপী খ্যাতি লাভ কৰাৰ লগতে এই প্ৰতিষ্ঠানৰ স্নাতকসকলে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে দেশক নেতৃত্ব দিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। আইআইটি গুৱাহাটীৰ পৰিয়ালক ইয়াৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাদান আৰু গৱেষণাৰ দিশত ইতিমধ্যেই এক অগ্ৰণী প্ৰতিষ্ঠান হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা এই উচ্চ শিক্ষা প্ৰতিষ্ঠানটিৰ বাবে ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱস এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে।

এই নতুন প্ৰযুক্তিনিৰ্ভৰ পৃথিৱীখনৰ সৈতে খোজত খোজ মিলাই আগবাঢ়ি যোৱাৰ বাবে ৰাজ্যখনক সহায় কৰাৰ লগতে আমাৰ মৌলিক বৈজ্ঞানিক গৱেষণা পদ্ধতিক শক্তিশালী কৰাৰ বাবে প্ৰতিষ্ঠানটোৰ সহযোগিতা কামনা কৰি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে আইআইটি গুৱাহাটীয়ে নতুন প্ৰযুক্তিৰ উদ্ভাৱনৰ লগতে ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়ন আৰু জনসাধাৰণৰ কল্যাণৰ বাবে প্ৰয়োজনীয় বৈজ্ঞানিক গৱেষণাৰ দিশত নিজকে নিয়োজিত কৰিব।

আই আই টি, গুৱাহাটী কৰ্তৃপক্ষৰ অনুৰোধ অনুযায়ী প্ৰতিষ্ঠানটিৰ চৌহদত এক চিকিৎসা প্ৰতিষ্ঠান

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

স্থাপনৰ উদ্দেশ্যে প্ৰয়োজনীয় অতিৰিক্ত ভূমি প্ৰদানৰ পদক্ষেপ গ্ৰহণৰ বাবে কামৰূপ (গ্ৰাম্য) জিলাৰ উপায়ুক্তক ইতিমধ্যেই নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

আই আই টি গুৱাহাটীৰ সঞ্চালক অধ্যাপক টি জি সীথাৰামে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ সঞ্চালক তথা আই আই টিৰ প্ৰাক্তন সঞ্চালক ড° গৌতম বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত প্ৰতিষ্ঠানটিৰ সঞ্চালকমণ্ডলীৰ অধ্যক্ষ ড° আৰ আই মোডীয়ে প্ৰেৰণ কৰা বাণীবদ্ধ দৃশ্য-শ্ৰাব্য বক্তব্যও আগবঢ়োৱা হয়।

প্ৰতিষ্ঠা দিৱস উদযাপনৰ এই কাৰ্যসূচীত আই আই টি গুৱাহাটীৰ পঞ্জীয়ক, উপ-সঞ্চালকসকল, বিভাগীয় মূৰব্বীসকল, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, গৱেষক আৰু শিক্ষাৰ্থীসকলেও অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**

**১/০৯/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in